# অসম আদিত্য

৮ পুহ, ১৯৪৬ শক ■ মঙলবাৰ, ২৪ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, December 24, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প


## কানৈৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ৰাজহুৱা সম্বৰ্ধনা




**ষ্টাফ ৰিপৰ্টাৰ, ২৩ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু বৃহত্তৰ বৰগুৰি শাখা সাহিত্য সভাৰ সৌজন্যত অনুষ্ঠিত অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰী স্মৃতি দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা এক অনুষ্ঠানত ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট সাহিত্যিক, লেখক, দৈনিক অগ্ৰদূত কাকতত 'কেনেকৈ নিঃশেষ এটা জাতি', অসম আদিত্য কাকতত 'জীৱন বাঁহীৰ সুৰ', তিনিদিনীয়া অগ্ৰদূত কাকতত 'স্বৰ ব্যঞ্জন' শীৰ্ষক জনপ্ৰিয় স্তম্ভ লিখি পাঠকৰ মাজত বিপুল সমাদৰ লাভ কৰা ড° শশীকান্ত শইকীয়াক ২২ ডিচেম্বৰত ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। শ্ৰীশ্ৰী আদৰ্শ সত্ৰৰ সত্ৰাধিকাৰ মুনমুন দেৱগোস্বামীৰ উপস্থিতিত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ডাঃ গিৰিশ সন্দিকৈ, বিশিষ্ট জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি মোহন মৰাণ, সম্পাদক মনজিৎ গোহাঁই, বিশিষ্ট সমাজকৰ্মী ডিম্বেশ্বৰ কোঁৱৰ, বিশিষ্ট সমাজকৰ্মী ৰহেন্দ্ৰ মৰাণ, বৰগুৰি শাখা সাহিত্য সভাৰ সভাপতি কামিনী কুমাৰ গোহাঁই, সম্পাদিকা বন্দিতা নেওগ গোহাঁই, সাংস্কৃতিক সম্পাদিকা হীৰামণি চেতিয়া বৰুৱাকে ধৰি অনেক গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত সাহিত্যিকগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। ড০ শইকীয়াই 'আঘোণৰ কাঁচিয়লি ৰ'দৰ হৈমন্তিক কবিতা' শীৰ্ষক কবি সন্মিলনখনো সঞ্চালনা কৰে।

উল্লেখ্য যে ড০ শশীকান্ত শইকীয়াই মাজুলীৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে মহাবিদ্যালয়খনক চকুত লগাকৈ উত্তৰণ ঘটাই পৰৱৰ্তী সময়ত অসমৰ ঐতিহ্যপূৰ্ণ ডিএইচএছ কানৈ মহাবিদ্যালয়ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয়কখনক সকলো দিশতে আগুৱাই নি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ গুৰুত্বপূৰ্ণ পেনেলিষ্টৰ সন্মান, সমন্বয়কৰ দায়িত্ব লাভ কৰা ড০ শশীকান্ত শইকীয়াই সমাজলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ বাবে ১৩০ টাৰো অধিক দল-সংগঠনে ইতিমধ্যে সম্বৰ্ধনা জ্ঞাপন কৰিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ হাতেৰে ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে কৰ্মসূৰ্য উপাধি প্ৰদান কৰা ড০ শশীকান্ত শইকীয়াই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইতিমধ্যে ২৭ টাৰো অধিক বঁটা-সন্মান লাভ কৰিছে।